
পাঠ ৭

# ফুলকোঁৱৰৰ গীত



কাঠৰ পখী ঘোঁৰা জেউতি চৰিলে
উৰি যাওঁ উৰি যাওঁ কৰিল,
ছমাহৰ বাটকে যায় একে দিনে
মালিনীৰ বাৰীতে পৰিল।
কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
ভৰিৰে মাৰিলে টিপা,
সেউতী মালতী তগৰ গুটিমালী
সৰেও ধৰিলে শিপা।



কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
মুখেৰে বজালে শঁখা,
সেউতী মালতী তগৰ গুটিমালী
সৰেও ধৰিলে পোখা।
কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
সৰালৈ মাৰিলে শাল,
সেউতী মালতী তগৰ গুটিমালী
সৰেও মেলিলে ডাল।

কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
সৰাৗলৈ মাৰিলে চলি,
সেউতী মালতী তগৰ গুটিমালী
সৰেও পেলালে কলি।
কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
সৰাৗলৈ মাৰিলে শূল,
সেউতী মালতী তগৰ গুটিমালী
সৰেও মেলিলে ফুল।







ফুলনি বাৰীতে থাকোঁতে কোঁৱৰে
ইপাহি সিপাহি লেখি,
বাটৰ বাটৰুৱাই কৰে হৰি হৰি
ফুলৰে তিৰ্বিৰ্ দেখি।
ই বোলে মালিনী সি বোলে মালিনী
তোৰ দশা ভাল হ'ল,
বাৰে বছৰীয়া শুকান ফুলৰ বাৰী
ফুলি তমস্কাৰ হ'ল।

*বিঃ দ্ৰঃ — গীতটিত 'পখী ঘোঁৰা'ৰ ঠাইত পাঠভেদে (পাঠান্তৰো) 'পক্ষী ঘোঁৰা' আছে।*

**ক্ৰিয়া-কলাপ** ক — পাঠভিত্তিক



গীতটো লগে ভাগে গাওঁ আৰু আবৃত্তি কৰোঁ আহা




গীতটোৰ কাহিনীভাগ নিজৰ কথাৰে সজাই-পৰাই কোৱা।



তলৰ শব্দবোৰৰ অৰ্থ গছৰ পাতৰ পৰা আনি শিক্ষকৰ সহায়ত মিলাই লিখা।

| শব্দ | অৰ্থ |
|---|---|
| টিপা | ................................. |
| শাল | ................................. |
| চলি | ................................. |
| শূল | ................................. |
| দশা | ................................. |
| শঁখা | ................................. |
| তমস্কাৰ | ................................. |






উত্তৰ দিয়া।

(ক) ফুলকোঁৱৰৰ উঠি উৰি যোৱা ঘোঁৰাটো কিহৰ আছিল?

(খ) ঘোঁৰাত উঠি গৈ ফুলকোঁৱৰ ক'ত পৰিছিল?

(গ) ফুলকোঁৱৰে ছমাহৰ বাট এদিনতে কেনেকৈ পালে?

(ঘ) ফুলনিখনৰ ফুলবোৰ কোনে ফুলালে?



বুজাই লিখা।

(ক) ই বোলে মালিনী সি বোলে মালিনী

তোৰ দশা ভাল হ'ল,

গীতফাকিত "মালিনী" কাক বোলা হৈছে? মালিনীৰ দশা কিয় ভাল হোৱা বুলি কৈছে?

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

(খ) ফুলকোঁৱৰৰ হাতৰ পৰশত ফুলনি বাৰীখন কেনেদৰে তমস্কাৰ হৈছিল?

(গ) শিপা ধৰাৰ পৰা কি কি স্তৰ পাৰ হৈ ফুলবোৰ ফুলিছিল?

(ঘ) বাৰ বছৰীয়া শুকান ফুলৰ বাৰীখন কেনেদৰে সলনি হ'ল?

**'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা।**

| ক অংশ | খ অংশ |
|---|---|
| (ক) জেউতি চৰিলে | ফুলৰে তিৰ্বিৰ্ দেখি। |
| (খ) ফুলনি বাৰীত থাকোঁতে কোঁৱৰে | সৰেও পেলালে কলি। |
| (গ) কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে | ইপাহি সিপাহি লেখি, |
| (ঘ) তগৰ গুটিমালী | উৰি যাওঁ উৰি যাওঁ কৰিল, |
| (ঙ) কৰে হৰি হৰি | সৰালৈ মাৰিলে শাল, |

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**গীতটোৰ পৰা চন্দ্ৰবিন্দু (ঁ) থকা শব্দবোৰ বাছি উলিয়াই লিখা আৰু শুদ্ধকৈ উচ্চাৰণ কৰিবলৈ শিকা।**

**শুদ্ধ শব্দ বহুৱাই তলৰ বাক্যবোৰ সম্পূৰ্ণ কৰা।**

(ক) ............... সদায় স্কুললৈ যাওঁ (সি/মই)

(খ) ৰতনে সদায় ফুটবল ..................... (খেলে/খেলিছিল)

(গ) গোলাপ ফুলপাহি ............. ৰঙা (ধক্ধকীয়া/টিক্টিকীয়া)

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



## জানো আহা

গীতটোত ব্যৱহাৰ হোৱা কিছুমান শব্দ বৰ্তমান এনেদৰে লিখা হয়।

| গীতটোত ব্যৱহাৰ হোৱা ৰূপ | | বৰ্তমান লিখা ৰূপ |
|---|---|---|
| কৰিল | .......................... | কৰিলে |
| শঁখা | .......................... | শংখ |
| সৱালৈ | .......................... | সকলোলৈ |
| একেদিনে | .......................... | এদিনতে |
| সৱেও | .......................... | সকলোৱে |
| বজাল | .......................... | বজালে |



**তলৰ গীতফাকিৰ পৰা বিশেষ্য পদকেইটা বাছি উলিওৱা।**

কাঠৰ পখী ঘোঁৰা জেউতি চৰিলে
উৰি যাওঁ উৰি যাওঁ কৰিল,
ছমাহৰ বাটকে যায় একে দিনে
মালিনীৰ বাৰীতে পৰিল।
কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
ভৰিৰে মাৰিলে টিপা,
সেউতী মালতী তগৰ গুটিমালী
সৱেও ধৰিলে শিপা।



## জানি লোৱা

গীতটোৰ 'তিৰ্‌বিৰ্' শব্দটোলৈ মন কৰা। এইটো এটা **ধ্বন্যাত্মক বা অনুকাৰ** শব্দ। 'তিৰ্ ' এই শব্দৰ ধ্বনি সাদৃশ্যত 'বিৰ্' শব্দ সৃষ্টি কৰি 'তিৰ্‌বিৰ্' কৰা হৈছে। ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা এনেধৰণৰ আন কেইটামান ধ্বন্যাত্মক শব্দ হৈছে — **ঢং ঢং, টং টং, কা কা** আদি।

## গ—জ্ঞান সম্প্ৰসাৰণ



‘শংখ’ এবিধ মুখেৰে বজোৱা বাদ্য। মুখেৰে আৰু কি কি বাদ্য বজাব পাৰি?



কেইটামান লোকগীত গাওঁ আহা

### নিচুকনি গীত

আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰিব
মইনাই বুটলি খাব।






### বিয়ানাম

মাৰাৰ অলংকাৰ
থোৱা কাতি কৰি
ঐ’ ৰাম, দেউতাৰাৰ অলংকাৰ থোৱাহে
ৰামচন্দ্ৰই পঠাইছে
সুবৰ্ণৰ অলংকাৰ
ঐ’ ৰাম, হাতে যোৰে কৰি লোৱাহে।

### বিহুগীত

চ’তে গৈয়ে গৈয়ে ব’হাগে পালেহি
ফুলিলে ভেবেলী লতা
কৈ থাকো মানে ওৰকে নপৰে
আমাৰে বিহুটিৰ কথা



### বনগীত

পকাধানৰ মাজে মাজে
সৰু সৰু আলি ঐ
সৰু সৰু আলি
আলিত পৰি গীত জোৰে
জাক, বালিমাহী ঐ
জাক বালিমাহী।

আবৃত্তি কৰোঁ আহা

## ককা আৰু নাতি-ল'ৰা

ককা আৰু নাতি-ল'ৰা একেলগে বহি
সাজিছে বালিৰ ঘৰ দুয়ো হাঁহি হাঁহি।
পোনাটি পুৱাৰ যেন প্ৰথম কিৰণ
আনজন সন্ধিয়াৰ হেঙুলী বৰণ।



হাঁহি হাঁহি পোনাটিয়ে কয় উলাহেৰে
"সাজিম ইয়াতে ঘৰ অতি যতনেৰে
থাকিব ইয়াতে মোৰ হাতী-ঘোঁৰা যত,
লগুৱা-লিগিৰী আৰু বয়-বস্তু কত।
চাৰিওফালে ওখ ওখ ঢাপ তুলি মই
ৰাখিম ঘৰটি মোৰ চোৰ নহাকই
মাজত ফুলনিখনি জেউতি চৰাব,
বাটৰুৱা ভোল গই ৰৈ ৰৈ চাব।"

কবি—যতীন্দ্ৰ নাথ দুৱৰা

*(উৎস — মৰুৱা ফুল, পৃষ্ঠা—২১, প্ৰকাশক— অসম প্ৰকাশন পৰিষদ)*
*বিঃ দ্ৰঃ - আবৃত্তি কৰাৰ সুবিধাৰ বাবে দুটা স্তৱক তুলি দিয়া হৈছে।*

## ঘ — প্ৰকল্প

- **তোমালোকৰ অঞ্চলত প্ৰচলিত লোকগীত আৰু স্থানীয় গীতসমূহ সংগ্ৰহ কৰি লিখা।**

☞ *আবৃত্তি প্ৰতিযোগিতা পাতিব আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- শুদ্ধ উচ্চাৰণেৰে তাল, লয় আৰু ছন্দৰে গীতটো গাব পৰা আৰু আবৃত্তি কৰিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- অসমীয়া লোক-সাহিত্যৰ লগত পৰিচয় হোৱা
- আখ্যানমূলক গীতৰ ধাৰণা পোৱা
- লোকগীত আৰু স্থানীয় গীতসমূহ সংগ্ৰহ কৰি গাবলৈ আগ্ৰহী হোৱা
- চন্দ্ৰবিন্দু ( ঁ) ৰ শুদ্ধ উচ্চাৰণ আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে জনা
- অনুকাৰ বা ধ্বন্যাত্মক শব্দৰ ধাৰণা লাভ কৰা
- বিহুগীত, বনগীত, লোকগীত, বিয়ানাম আদি গাবলৈ আগ্ৰহী হোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| আখ্যানমূলক গীত | গীতটি আবৃত্তি কৰিব পৰা | গীতটিত থকা শব্দৰ অৰ্থ জনা | গীতটিৰ কাহিনী ভাগ বুজি পোৱা আৰু ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | চন্দ্ৰবিন্দু ( ঁ) থকা শব্দ শুদ্ধকৈ উচ্চাৰণ কৰিব পৰা | বাক্যত পদৰ শুদ্ধ প্ৰয়োগ কৰিব পৰা | বিশেষ্য পদ বাছি উলিয়াই লিখিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | মুখেৰে বজোৱা বিভিন্ন বাদ্যযন্ত্ৰৰ নাম ক'ব পৰা | অসমীয়া লোকগীত সম্পৰ্কে জনা আৰু ক'ব পৰা | কবিতা আবৃত্তি কৰিব পৰা | নিচুকনি গীত, বিহুগীত, বনগীত, বিয়ানাম আদি গাব জনা | | |
| | | | | | | |
| প্ৰকল্প | নিজৰ অঞ্চলত প্ৰচলিত লোক গীত আৰু স্থানীয় গীত সংগ্ৰহ কৰি লিখিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*